অধ্যায় ২ ঃ ভাৰতৰ লোক প্ৰশাসনৰ বৈশিষ্ট্য

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ ভাৰতৰ লোক প্ৰশাসন ব্যৱস্থাৰ বৈশিষ্ট্য

২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৫ অধিক জানিবলৈ

২.৬ অগ্ৰগতিৰ নিৰীক্ষণৰ উত্তৰ

২.৭ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- স্বাধীন ভাৰতৰ প্ৰশাসন ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- উন্নয়নকামী প্ৰশাসন, গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ, ৰাজনৈতিক নিৰাপেক্ষতা, ই - প্ৰশাসন (e-Governance) আদি ভাৰতৰ লোক প্ৰশাসন ব্যৱস্থাৰ লগত জড়িত প্ৰধান বিষয়সমূহৰ সম্পৰ্কে আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

'প্ৰশাসন' চৰকাৰ এখনৰ এনে এক চালিকা শক্তি যিটো আমোলাসকলৰ দ্বাৰা পৰিচালিত হয়। এই প্ৰশাসনীয় ব্যৱস্থাৰ মূল উদ্দেশ্য হৈছে চৰকাৰৰ নীতি আৰু আঁচনিক বাস্তৱত কাৰ্যকৰী কৰি তোলা। সকলো প্ৰশাসনীয় ব্যৱস্থাই দেশ এখনৰ ৰাজনৈতিক গাঁথনিৰ ভিতৰত থাকি দায়িত্ব পালন কৰে। ব্যৱসায়-বাণিজ্যৰ উদ্দেশ্য লৈ ভাৰতলৈ অহা আৰু পৰৱৰ্তী কালত ভাৰতৰ শাসন ভাৰ লোৱা ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন কালত ভাৰতৰ বৰ্তমানৰ প্ৰশাসনীয় ব্যৱস্থাটো গঢ় লৈ উঠিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হোৱাৰ পিছত ১৯৫০ চনৰ ২৬ জানুৱাৰীত এখন নতুন সংবিধান গ্ৰহণ কৰা হৈছিল। স্বাধীন ভাৰতৰ চৰকাৰ আৰু প্ৰশাসনীয় ব্যৱস্থা বৃটিছ প্ৰশাসনীয় ব্যৱস্থাৰ আৰ্হিত গঢ় লৈ উঠিছিল যদিও পৰিৱৰ্তিত পৰিস্থিতি অনুসৰি পৰৱৰ্তী কালত ইয়াৰ কিছু সালসলনিও কৰা হৈছে। বৃটিছ ব্যৱস্থাই প্ৰশাসনীয় যন্ত্ৰটোক সঠিকভাৱে নিয়ন্ত্ৰণ কৰিব পাৰে বুলি কৰা বিশ্বাসৰ বাবেই ভাৰতে বৃটিছ প্ৰশাসনীয় ব্যৱস্থাটোক গ্ৰহণ কৰিছিল।

২.৩ ভাৰতৰ লোক প্ৰশাসন ব্যৱস্থাৰ বৈশিষ্ট্য

স্বাধীন ভাৰতৰ প্ৰশাসনীয় ব্যৱস্থাটো সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, ন্যায়, সমতা, স্বাধীনতা, ভাতৃত্ববোধ আদি ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত মূল্যবোধৰ ভিত্তিত গঢ় লৈ উঠা। ভাৰতীয় প্ৰশাসন ব্যৱস্থাটো এনেদৰে পৰিচালনা কৰা হয় যাতে এই মূল্যবোধসমূহ সমগ্ৰ ব্যৱস্থাটোত বৰ্তি থাকে। ভাৰতৰ প্ৰশাসনীয় ব্যৱস্থাটোৰ বৈশিষ্ট্যসমূহ তলত পৰ্যায়ক্ৰমে উল্লেখ কৰা হ'ল —

(১) ঔপনিৱেশিক প্ৰভাৱ ঃ- ভাৰতৰ প্ৰশাসন ব্যৱস্থাটোৰ এক দীঘলীয়া ইতিহাস আছে। বৰ্তমানৰ ভাৰতীয় প্ৰশাসন ব্যৱস্থাটো দুটা গুৰুত্বপূৰ্ণ প্ৰভাৱৰ পৰিণতি —

(ক) বৃটিছে শাসনৰ সুবিধাৰ্থে প্ৰশাসন ব্যৱস্থাটোত খণ্ড, জিলা, তহচিল, মহকুমা, চক্ৰ আদি ভাগত বিভক্ত কৰা।

(খ) গণতান্ত্ৰিক কল্যাণকামী ৰাষ্ট্ৰৰ আদৰ্শ ভাৰতৰ সংবিধানত প্ৰতিফলিত হোৱা।

স্বাধীন ভাৰতৰ ৰাজনৈতিক আৰু প্ৰশাসনীয় ব্যৱস্থাটো বৃটিছৰ শাসনকালৰ অভিজ্ঞতাৰ ভিত্তিত গঢ়ি উঠিছে। দৰাচলতে ভাৰতীয় প্ৰশাসনীয় ব্যৱস্থাৰ বহুখিনি বৈশিষ্ট্য বৃটিছ প্ৰশাসনীয় ব্যৱস্থাৰপৰা গ্ৰহণ কৰা হৈছে। ঔপনিৱেশিক কালৰ বৃটিছ প্ৰশাসনীয় ব্যৱস্থাৰ প্ৰভাৱ আজিও ভাৰতীয় প্ৰশাসন ব্যৱস্থাটোত দৃষ্টিগোচৰ হয়। বৃটিছ ঔপনিৱেশিক প্ৰশাসনীয় ব্যৱস্থাটো কেন্দ্ৰীভূত চৰিত্ৰ হোৱাৰ লগতে ই এক সু নিয়ন্ত্ৰিত প্ৰশাসন ব্যৱস্থা আছিল। স্বাধীন ভাৰতেও বৃটিছ কালত প্ৰতিষ্ঠিত এই প্ৰশাসনীয় ব্যৱস্থাটোক অনুকৰণ কৰি আহিছে। বৃটিছৰ শাসন কালত জিলাসমূহক শাসন ব্যৱস্থাৰ প্ৰাথমিক (basic) অংগ হিচাপে গঠন কৰা হৈছিল। বৰ্তমানেও এখন ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাৰ কাৰ্যকাৰিতা ৰাজ্যখনৰ অন্তৰ্গত জিলাকেইখনৰ প্ৰশাসনীয় ব্যৱস্থাৰ প্ৰদৰ্শনৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰে।

স্বাধীনোত্তৰ কালত গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত সৰ্বাধিক সমৰ্থিত দলৰ জনপ্ৰতিনিধিসকলৰ জৰিয়তে চৰকাৰ গঠন কৰা হয় আৰু উক্ত চৰকাৰৰ লগত আমোলাসকল একেলগে কাম কৰে। মুক্ত আৰু গণতান্ত্ৰিক ভাৰতৰ প্ৰয়োজন অনুসৰি প্ৰশাসন ব্যৱস্থাটোক নতুন ৰূপ দিবলৈ ব্যৱস্থাটোৰ বিভিন্ন পৰিৱৰ্তনো সাধন কৰা হ'ল। ক্ৰমে এই প্ৰশাসনীয় ব্যৱস্থাটো কল্যাণকামী ৰাষ্ট্ৰৰ লক্ষ্যত উপনীত হোৱাৰ এক প্ৰধান আহিলা হৈ পৰিল। অৱশ্যে সময়ে সময়ে প্ৰশাসন ব্যৱস্থাটোৰ বিভিন্ন পৰিৱৰ্তন সাধন কৰিলেও সমগ্ৰ ব্যৱস্থাটোৰ মূল গাঁথনি বৃটিছৰ সময়ৰ গাঁথনিৰ সৈতে একে আছে।

(২) সাংবিধানিক পদমৰ্যাদা আৰু বিভিন্ন প্ৰকাৰ ঃ- ভাৰতীয় প্ৰশাসন ব্যৱস্থাৰ আমোলাসকলে এক সাংবিধানিক পদমৰ্যাদাৰ লগতে সাংবিধানিক ৰক্ষাকবচো লাভ কৰে। ৰাজনৈতিক কাৰ্যপালিকা বা চৰকাৰ পৰিৱৰ্তনেও আমোলাসকলৰ পদমৰ্যাদা, অধিকাৰ আৰু ক্ষমতাৰ ওপৰত প্ৰভাৱ নেপেলায়। ভাৰতত সৰ্বমুঠ তিনিধৰণৰ প্ৰশাসনিক সেৱা আছে। এই

প্ৰকাৰকেইটা হ'ল সৰ্বভাৰতীয় প্ৰশাসনিক সেৱা, কেন্দ্ৰীয় প্ৰশাসনিক সেৱা (group A আৰু group B) আৰু ৰাজ্যিক প্ৰশাসনিক সেৱা। প্ৰথম দুই প্ৰকাৰৰ সেৱাৰ বাবে কেন্দ্ৰীয়ভাৱে নিযুক্তি প্ৰদান কৰাৰ বিপৰীতে তৃতীয় প্ৰকাৰৰ সেৱাৰ বাবে নিযুক্তি প্ৰক্ৰিয়া ৰাজ্যৰ ভিতৰতে সমাপন হয়। সৰ্বভাৰতীয় প্ৰশাসনিক সেৱাসমূহ যথেষ্ট সন্মানীয় তথা গুৰুত্বপূৰ্ণ হয়। এই সেৱাত জড়িত আমোলাসকলে উভয়ে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক সেৱা আগবঢ়ায়। সৰ্বভাৰতীয় সেৱা আকৌ তিনি প্ৰকাৰৰ হয় — ভাৰতীয় প্ৰশাসনিক সেৱা, ভাৰতীয় আৰক্ষী সেৱা আৰু ভাৰতীয় বন সেৱা। এই সেৱাসমূহত নিযুক্তি সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফলৰ ভিত্তিত প্ৰদান কৰা হয় আৰু সৰ্বভাৰতীয় প্ৰশাসনিক সেৱাৰ সকলো নিযুক্তি ভাৰতৰ ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰে। কেন্দ্ৰীয় প্ৰশাসনিক বিষয়াসকলে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি সেৱা আগবঢ়ায়। কেন্দ্ৰীয় প্ৰশাসনিক সেৱাৰ অন্তৰ্ভুক্ত কিছুমান সেৱা হ'ল কেন্দ্ৰীয় সচিবালয়ৰ সেৱা, ভাৰতীয় বৈদেশিক সেৱা, ভাৰতীয় পৰিসাংখ্যিক সেৱা (Indian Statistical Services), সীমান্তৰ পথ অভিযন্তাৰ সেৱা (Border Roads Engineering Services), ভাৰতীয় ডাক সেৱা, ভাৰতীয় ৰেল সেৱা আদি। ৰাজ্যিক প্ৰশাসনিক আমোলাসকলে সেই নিৰ্দিষ্ট ৰাজ্যখনৰ প্ৰতি সেৱা আগবঢ়ায় আৰু পদসমূহত নিযুক্তি ৰাজ্যখনৰ ৰাজ্যপালে প্ৰদান কৰে। ৰাজ্যিক প্ৰশাসনিক সেৱাৰ কেইটামান উদাহৰণ হ'ল — অসম প্ৰশাসনিক সেৱা, গুজৰাট প্ৰশাসনিক সেৱা আদি। যদিও ভাৰতীয় প্ৰশাসন যন্ত্ৰ সাধাৰণ প্ৰশাসনে নিয়ন্ত্ৰণ কৰে, স্বাধীনতাৰ পাছৰ কালৰে পৰা প্ৰয়োজন অনুসৰি ভাৰতীয় প্ৰশাসনিক সেৱাত নতুন কৌশল আৰু পদ্ধতিৰে নতুন কাৰ্য-প্ৰণালী দায়বদ্ধতাৰে পৰিচালনা কৰিব পৰা দক্ষ লোকক নিয়োগ কৰি আহিছে। ফলস্বৰূপে, প্ৰশাসনীয় ব্যৱস্থাত দক্ষ লোকৰ ভূমিকা বৃদ্ধি পাইছে।

(৩) প্ৰশাসনিক ব্যৱস্থাত ৰাজনৈতিক নিৰপেক্ষতা ঃ- ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাটো ৰাজনৈতিক নিৰপেক্ষতাৰ নীতিৰ আধাৰত প্ৰতিষ্ঠিত। এই নীতি অনুসৰি আমোলাসকলে চৰকাৰৰ আচনিসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত পক্ষপাতহীন ভূমিকা গ্ৰহণ কৰিব লাগে। দায়িত্ব গ্ৰহণ কৰি থকা কালত তেওঁলোকে নিৰপেক্ষ আচৰণ কৰা উচিত। তদুপৰি এই নিৰপেক্ষতাই আমোলাসকলক ৰাজনৈতিক কাৰ্যকলাপত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰাৰ বাবে চৰকাৰেও পক্ষপাতহীনভাৱে কাৰ্য সম্পাদন কৰিবলৈ বাধ্য হয়।

(৪) দায়িত্বশীল প্ৰশাসন ঃ- ভাৰতৰ প্ৰশাসনীয় ব্যৱস্থাটোৰ এটা প্ৰধান প্ৰত্যাহ্বান হ'ল সমগ্ৰ ব্যৱস্থাটোক জনসাধাৰণৰ প্ৰতি দায়িত্বশীল কৰি তোলা। ভাৰতীয় প্ৰশাসনীয় ব্যৱস্থাটো সদায় জনসাধাৰণৰ আগত জবাবদিহি হৈ থকাৰ লগতে সংবিধানৰ প্ৰস্তাৱনাত উল্লেখ কৰা লক্ষ্য আৰু উদ্দেশ্যৰ আধাৰত কাৰ্য সম্পাদন কৰে। সমগ্ৰ প্ৰশাসন যন্ত্ৰটো জনতাৰ প্ৰতিনিধিৰ ওচৰত দায়িত্বশীল হৈ থাকিব লাগে। প্ৰশাসনৰ কাম-কাজ অনুসন্ধান কৰিবলৈ কেন্দ্ৰ, ৰাজ্য আৰু স্থানীয় স্তৰত বিভিন্ন অনুষ্ঠান আছে। প্ৰশাসনৰ সকলো কাম-কাজ আমোলা, সংসদীয় ন্যায়িকৰ নিয়ন্ত্ৰণত থাকে।

(৫) বিধিসন্মত প্ৰশাসন ঃ- ভাৰতৰ প্ৰশাসনীক ব্যৱস্থাটো বিধিসন্মত আৰু গোটেই প্ৰশাসনীয় ব্যৱস্থাটো আইনৰ নীতি অনুসৰি পৰিচালিত হয়। ন্যায় বা বৈধতাৰ ক্ষেত্ৰত ন্যায়ালয়ৰ সিদ্ধান্তকে শেষ সিদ্ধান্ত হিচাপে ধৰা হয়। প্ৰশাসনীয় কাম-কাজ বিধিসন্মতভাৱে পৰিচালিত হৈছে নে নাই সেয়া ন্যায়ালয়ে পৰ্যবেক্ষণ কৰে আৰু যদি বিধিসন্মতভাৱে পৰিচালিত হোৱা নাই, তেন্তে তেনেকুৱা যিকোনো কাম-কাজ বা পদক্ষেপ অবৈধ ঘোষণা কৰিব পাৰে।

(৬) নমনীয় প্ৰশাসন ঃ- ভাৰতীয় প্ৰশাসন ব্যৱস্থাটো পৰিৱৰ্তনকামী আৰু সেয়েহে ইয়াক নমনীয় প্ৰশাসন ব্যৱস্থা আখ্যা দিয়া হয়। স্বাধীনতাৰ পিছৰপৰা ভাৰতীয় প্ৰশাসন ব্যৱস্থাটোক অধিক কাৰ্যক্ষম কৰি তোলাৰ বাবে বিভিন্ন সংস্কাৰ সাধন কৰা হৈছে। ই প্ৰশাসনৰ নমনীয়তাক নিৰ্দেশ কৰে। সময়ে সময়ে প্ৰশাসন ব্যৱস্থাটোক পৰিৱৰ্তিত পৰিস্থিতিৰ লগতে খাপ খুৱাই তোলাৰ উদ্দেশ্যে বিভিন্ন সংস্কাৰমূলক পদক্ষেপ গ্ৰহণ কৰা হৈছে।

(৭) সংহত প্ৰশাসন ব্যৱস্থা ঃ- ৰাষ্ট্ৰপতি কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যবাহী (Executive) মুৰব্বী হোৱা বাবে ভাৰতীয় প্ৰশাসন ব্যৱস্থাটোক সংহত আখ্যা দিয়া হয়। চৰকাৰৰ প্ৰতিটো বিভাগ একোজন সচিবৰ অধীনত আৰু প্ৰতিটো মন্ত্ৰীত্বৰ বিভাগ একোজন মন্ত্ৰীৰ অধীনত পৰিচালিত হয়। মন্ত্ৰীসকলৰ ওপৰত কেবিনেট আৰু প্ৰধানমন্ত্ৰী থাকে। এনে সংহত ব্যৱস্থাৰ মূল উদ্দেশ্য হ'ল প্ৰশাসনত যথাসম্ভৱ মিলাপ্ৰীতি আৰু সহযোগিতাৰ পৰিৱেশ বৰ্তাই ৰখা।

(৮) উন্নয়নকামী প্ৰশাসন ঃ- ভাৰতীয় প্ৰশাসন ব্যৱস্থাটোৱে সামাজিক পৰিৱৰ্তনৰ লগতে সমাজৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক দৃশ্যপটৰ পৰিৱৰ্তন সাধন কৰি উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত দায়বদ্ধতাৰ পৰিচয় দিছে। ই ভাৰতৰ প্ৰশাসন ব্যৱস্থাটোৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। উন্নয়নৰ বাবে দায়বদ্ধ এই প্ৰশাসনীয় ব্যৱস্থাটো পৰিৱৰ্তনকামী আৰু কল্যাণকামী। ইয়াৰ বাবে জনসম্পৰ্ক ৰক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে আৰু প্ৰশাসন যন্ত্ৰটোৱে জনসম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উন্নয়নৰ এই সমগ্ৰ প্ৰক্ৰিয়াটো আঁচনি গ্ৰহণ, পৰিকল্পনা আৰু প্ৰকল্প প্ৰস্তুতৰ ওপৰত বিশেষভাৱে নিৰ্ভৰশীল হৈ থাকে। উন্নয়নকামী প্ৰশাসনৰ ব্যৱস্থাটোক পৰিৱৰ্তনমুখী প্ৰশাসন ব্যৱস্থাও আখ্যা দিব পাৰি। পৰম্পৰাগত প্ৰশাসন ব্যৱস্থাসমূহ অনমনীয়তা, স্থিৰতা আৰু পদমৰ্যাদাৰ ওপৰত বিশ্বাসী। উন্নয়নকামী প্ৰশাসন ব্যৱস্থাটো গতিশীল; ই স্থিৰ নহয়। পৰিৱৰ্তনৰ কৌশলৰ জৰিয়তে প্ৰশাসন যন্ত্ৰটোক বাহ্যিক পৰিবেশৰ লগত খাপ খুৱাই তোলা হয়। উন্নয়নকামী প্ৰশাসনৰ লক্ষ্য হ'ল এটা নতুন সামাজিক ব্যৱস্থা প্ৰতিষ্ঠা কৰা যিটোত উন্নয়ন আৰু ন্যায় ব্যৱস্থাই সমান্তৰালভাৱে আগবাঢ়ে। গতিকে উন্নয়নকামী প্ৰশাসনে প্ৰশাসন ব্যৱস্থাৰ সংগঠিত পৰিৱৰ্তন, নিবনুৱা সমস্যা সমাধানৰ বাবে নতুন পৰিকল্পনা গ্ৰহণ, উদ্যোগ আৰু কৃষিখণ্ডৰ উৎপাদনৰ হাৰ বৃদ্ধি, দৰিদ্ৰতা নিৰ্মূল আদি দিশসমূহক সামৰি লয়।

উন্নয়নকামী প্ৰশাসন ব্যৱস্থাটো লক্ষ্যকেন্দ্ৰিক। এই লক্ষ্যৰ ভিত্তিত সামাজিক ন্যায়, আধুনিক, ঔদ্যোগীকৰণ আৰু অৰ্থনৈতিক বিকাশ লাভ কৰিব পাৰি। উন্নয়নশীল দেশসমূহে বিভিন্ন আৰ্থ-সামাজিক সমস্যাৰ সন্মুখীন হৈ থকা বাবে প্ৰশাসনে উন্নয়নৰ নিৰ্দিষ্ট লক্ষ্য নিৰ্দ্ধাৰণ

কৰি সেই লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰিব লাগে। উন্নয়নকামী প্ৰশাসনৰ জৰিয়তে উন্নয়নৰ লক্ষ্যসমূহত উপনীত হ'ব পৰা যায়। এই লক্ষ্যসমূহে সমতা, সামাজিক ন্যায়, আধুনিকতা, আয় আৰু সম্পদৰ সমবিতৰণ, ঔদ্যোগিক আৰু কৃষিখণ্ডৰ উন্নয়ন, নিযুক্তি বৃদ্ধি আদি বিভিন্ন দিশ সামৰি লয়।

(৯) সংৰক্ষণৰ ব্যৱস্থা ঃ- ভাৰতীয় প্ৰশাসন ব্যৱস্থাই সংৰক্ষণৰ নীতি মানি চলে। ইয়াৰ জৰিয়তে অনুসূচিত জাতি, অনুসূচিত জনজাতি তথা অন্যান্য পিছ পৰা শ্ৰেণীৰ দৰে সমাজৰ পিছ পৰা আৰু দূৰ্বল লোকসকলক প্ৰশাসন ব্যৱস্থাত প্ৰতিনিধিত্ব কৰাৰ সুযোগ দিয়া হৈছে। এইদৰে ভাৰতত অনুসূচিত জাতি-জনজাতি আৰু অন্যান্য পিছ পৰা শ্ৰেণী তথা মহিলাৰ বাবে ৰাজহুৱা পদত সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

(১০) গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ ঃ- ভাৰতৰ প্ৰশাসন যন্ত্ৰটো বিকেন্দ্ৰীকৰণ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। এই ব্যৱস্থাই উচ্চৰপৰা তৃণমূল পৰ্যায়লৈকে প্ৰতিটো স্তৰক গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ লগত জড়িত কৰায়। বিকেন্দ্ৰীকৰণৰ নীতি অনুসৰি উচ্চ স্তৰৰ পৰা নিম্ন স্তৰলৈ ক্ষমতাৰ হস্তান্তৰ কৰা হয়। ভাৰতত ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ নীতি ১৯৯২ চনত হোৱা ৭৩ নং সংবিধান সংশোধনীৰ জৰিয়তে গ্ৰামাঞ্চলৰ বাবে আৰম্ভ কৰা তিনি তৰপীয়া পঞ্চায়তীৰাজ ব্যৱস্থাত প্ৰতিফলিত হয়। একেদৰে নগৰাঞ্চলত ৭৪ নং সংশোধনীৰ জৰিয়তে নগৰপালিকাৰ ব্যৱস্থা আৰম্ভ কৰা হৈছিল। এনেধৰণৰ স্থানীয় শাসন ব্যৱস্থাই জিলা পৰ্যায়ৰ অধীনস্থ শাসনৰ বিভিন্ন দিশ চোৱাচিতা কৰে।

(১১) প্ৰশাসন ব্যৱস্থাৰ সমৰূপতা ঃ- ভাৰতৰ প্ৰশাসন ব্যৱস্থাৰ এটি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল আটাইকেইখন ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাৰ মাজত থকা সমৰূপতা। তদুপৰি কেন্দ্ৰ আৰু ৰাজ্য উভয় পৰ্যায়তে এনে সমৰূপতা পৰিলক্ষিত হয়। ভাৰতত গ্ৰাম্য পৰ্যায়ৰপৰা কেন্দ্ৰীয় পৰ্যায়লৈ প্ৰশাসনত সম বৈশিষ্ট্য থকা দেখা যায়।

(১২) ই- প্ৰশাসন ঃ- পৰিৱৰ্তিত পৰিস্থিতিৰ লগত খাপ খুৱাই ভাৰতৰ প্ৰশাসন ব্যৱস্থাটোৱে ইলেক্ট্ৰনিক প্ৰশাসন বা চমুকৈ ই-প্ৰশাসনৰ আঁচনি গ্ৰহণ কৰিছে। ই -প্ৰশাসন যিকোনো সময়ত, যিকোনো স্থানত উপলব্ধতাৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। ই -প্ৰশাসনৰ মুখ্য উদ্দেশ্য হ'ল চৰকাৰৰ সেৱাসমূহ জনসাধাৰণক 'অনলাইন' যোগে উপলব্ধ কৰোৱা। ই -প্ৰশাসন তথ্য আৰু গণসংযোগ প্ৰযুক্তিবিদ্যা (Information and Communication Technology) ৰ ওপৰত আধাৰিত এনে এক ব্যৱস্থা যিয়ে চৰকাৰ - নাগৰিক, চৰকাৰ- ব্যৱসায়ী, চৰকাৰ - চৰকাৰ, চৰকাৰ-কৰ্মচাৰীৰ মাজৰ সম্পৰ্ক স্থাপন কৰি প্ৰশাসন ব্যৱস্থা সুচল কৰি তোলে। ই-প্ৰশাসনৰ জৰিয়তে জনসাধাৰণে চৰকাৰী সেৱাসমূহ সুবিধাজনকভাবে কম সময়ৰ ভিতৰতে লাভ কৰিব পাৰে।

ওপৰৰ আলোচনাৰ পৰা বুজিৰ পাৰি যে, ভাৰতৰ প্ৰশাসন ব্যৱস্থাটো সংবিধানত অন্তৰ্ভুক্ত বিভিন্ন লক্ষ্যসমূহত উপনীত হোৱাৰ এক আহিলা আৰু এই প্ৰশাসন ব্যৱস্থাটোও এই লক্ষ্যসমূহত উপনীত হোৱাৰ অনুকূলে গঠন কৰা হৈছে। গতিকে এই কথা সহজে অনুমেয় যে বৰ্তমানৰ প্ৰশাসন ব্যৱস্থাটো সময়ৰ লগত ফেৰ মাৰিব পৰা বিধৰ আৰু ই বিগত বছৰবোৰত যথেষ্ট পৰিৱৰ্তনৰ সন্মুখীন হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ৰাজহুৱা প্ৰশাসন ব্যৱস্থাটোৰ দুটা বৈশিষ্ট্য আলোচনা কৰক।

.....

.....

প্ৰশ্ন ২ ঃ ই-প্ৰশাসন বুলিলে কি বুজায়?

.....

.....



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- স্বাধীন ভাৰতৰ প্ৰশাসনীয় ব্যৱস্থাটো সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, ন্যায়, সমতা, স্বাধীনতা, ভাতৃত্ববোধ আদি ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত মূল্যবোধৰ ভিত্তিত গঢ়ি উঠিছে। ভাৰতীয় প্ৰশাসন ব্যৱস্থাটো এনেদৰে পৰিচালনা কৰা হয় যাতে এই মূল্যবোধসমূহ সমগ্ৰ ব্যৱস্থাটোত বৰ্তি থাকে। ভাৰতৰ প্ৰশাসনীয় ব্যৱস্থাটোৰ বৈশিষ্ট্যসমূহ তলত পৰ্যায়ক্ৰমে উল্লেখ কৰা হ'ল।
- ভাৰতৰ প্ৰশাসন ব্যৱস্থাটোৰ এটা দীঘলীয়া ইতিহাস আছে। বৰ্তমানৰ ভাৰতীয় প্ৰশাসন ব্যৱস্থাটো দুটা গুৰুত্বপূৰ্ণ প্ৰভাৱৰ পৰিণতি —
  (ক) বৃটিছে শাসনৰ সুবিধাৰ্থে প্ৰশাসন ব্যৱস্থাটোত খণ্ড, জিলা, তেহচিল, মহকুমা, চক্ৰ আদি ভাগত বিভক্ত কৰা।
  (খ) গণতান্ত্ৰিক কল্যাণকামী ৰাষ্ট্ৰৰ আদৰ্শ ভাৰতৰ সংবিধানত প্ৰতিফলিত হোৱা।
- ভাৰতীয় প্ৰশাসন ব্যৱস্থাৰ আমোলাসকলে এক সাংবিধানিক পদমৰ্যাদাৰ লগতে সাংবিধানিক ৰক্ষাকবচো লাভ কৰে। ৰাজনৈতিক কাৰ্যপালিকা বা চৰকাৰ পৰিৱৰ্তনেও আমোলাসকলৰ পদমৰ্যাদা, অধিকাৰ আৰু ক্ষমতাৰ ওপৰত প্ৰভাৱ নেপেলায়। ভাৰতত সৰ্বমুঠ তিনিধৰণৰ প্ৰশাসনিক সেৱা আছে। এই প্ৰকাৰকেইটা হ'ল সৰ্বভাৰতীয় প্ৰশাসনিক সেৱা, কেন্দ্ৰীয় প্ৰশাসনিক সেৱা আৰু ৰাজ্যিক প্ৰশাসনিক সেৱা।
- ভাৰতৰ প্ৰশাসনীয় ব্যৱস্থাটোৰ এটা প্ৰধান প্ৰত্যাহ্বান হ'ল সমগ্ৰ ব্যৱস্থাটোক জনসাধাৰণৰ প্ৰতি দায়িত্বশীল কৰি তোলা। ভাৰতীয় প্ৰশাসনীয় ব্যৱস্থাটো সদায়

জনসাধাৰণৰ আগত জবাবদিহি হৈ থকাৰ লগতে সংবিধানৰ প্ৰস্তাৱনাত উল্লেখ কৰা লক্ষ্য আৰু উদ্দেশ্যৰ আধাৰত কাৰ্য সম্পাদন কৰে।

- ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাটো বিধিসন্মত আৰু গোটেই প্ৰশাসনীয় ব্যৱস্থাটো আইনৰ নীতি অনুসৰি পৰিচালিত হয়। ন্যায় বা বৈধতাৰ ক্ষেত্ৰত ন্যায়ালয়ৰ সিদ্ধান্তকে শেষ সিদ্ধান্ত হিচাপে ধৰা হয়। প্ৰশাসনীয় কাম-কাজ বিধিসন্মতভাৱে পৰিচালিত হৈছে নে নাই সেয়া ন্যায়ালয়ে পৰ্যবেক্ষণ কৰে আৰু যদি বিধিসন্মতভাৱে পৰিচালিত হোৱা নাই, তেন্তে তেনেকুৱা যিকোনো কাম-কাজ বা পদক্ষেপ অবৈধ ঘোষণা কৰিব পাৰে।
- ভাৰতীয় প্ৰশাসন ব্যৱস্থাটো পৰিৱৰ্তনকামী আৰু সেয়েহে ইয়াক নমনীয় প্ৰশাসন ব্যৱস্থা আখ্যা দিয়া হয়। স্বাধীনতাৰ পিছৰ পৰা ভাৰতীয় প্ৰশাসন ব্যৱস্থাটোক অধিক কাৰ্যক্ষম কৰি তোলাৰ বাবে বিভিন্ন সংস্কাৰ সাধন কৰা হৈছে।
- ৰাষ্ট্ৰপতি কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যবাহী (Executive) মুৰব্বী হোৱা বাবে ভাৰতীয় প্ৰশাসন ব্যৱস্থাটোক সংহত আখ্যা দিয়া হয়। চৰকাৰৰ প্ৰতিটো বিভাগ একোজন সচিবৰ অধীনত আৰু প্ৰতিটো মন্ত্ৰীত্বৰ বিভাগ একোজন মন্ত্ৰীৰ অধীনত পৰিচালিত হয়। মন্ত্ৰীসকলৰ ওপৰত কেবিনেট আৰু প্ৰধানমন্ত্ৰী থাকে।
- ভাৰতীয় প্ৰশাসন ব্যৱস্থাটোৱে সামাজিক পৰিৱৰ্তনৰ লগতে সমাজৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক দৃশ্যপটৰ পৰিৱৰ্তন সাধন কৰি উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত দায়বদ্ধতাৰ পৰিচয় দিছে। ই ভাৰতৰ প্ৰশাসন ব্যৱস্থাটোৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। উন্নয়নৰ বাবে দায়বদ্ধ এই প্ৰশাসনীয় ব্যৱস্থাটো পৰিৱৰ্তনকামী আৰু কল্যাণকামী।
- ভাৰতীয় প্ৰশাসন ব্যৱস্থাই সংৰক্ষণৰ নীতি মানি চলে। ইয়াৰ জৰিয়তে অনুসূচিত জাতি, অনুসূচিত জনজাতি তথা অন্যান্য পিছ পৰা শ্ৰেণীৰ দৰে সমাজৰ পিছ পৰা আৰু দূৰ্বল লোকসকলক প্ৰশাসন ব্যৱস্থাত প্ৰতিনিধিত্ব কৰাৰ সুযোগ দিয়া হৈছে।
- ভাৰতৰ প্ৰশাসন যন্ত্ৰটো বিকেন্দ্ৰীকৰণৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। এই ব্যৱস্থাই উচ্চৰ পৰা তৃণমূল পৰ্যায়লৈকে প্ৰতিটো স্তৰক গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ লগত জড়িত কৰায়। বিকেন্দ্ৰীকৰণৰ নীতি অনুসৰি ক্ষমতা উচ্চ স্তৰৰ পৰা নিম্ন স্তৰলৈ ক্ষমতাৰ হস্তান্তৰ কৰা হয়।
- ভাৰতৰ প্ৰশাসন ব্যৱস্থাৰ এটি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল আটাইকেইখন ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাৰ মাজত থকা সমৰূপতা। তদুপৰি কেন্দ্ৰ আৰু ৰাজ্য উভয়ে পৰ্যায়তে এনে সমৰূপতা পৰিলক্ষিত হয়।
- পৰিৱৰ্তিত পৰিস্থিতিৰ লগত খাপ খুৱাই ভাৰতৰ প্ৰশাসন ব্যৱস্থাটোৱে ইলেক্ট্ৰনিক প্ৰশাসন বা চমুকৈ ই-প্ৰশাসনৰ আঁচনি গ্ৰহণ কৰিছে। ই প্ৰশাসন যিকোনো সময়ত, যিকোনো স্থানত উপলব্ধতাৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। ই-প্ৰশাসনৰ মুখ্য উদ্দেশ্য হ'ল চৰকাৰৰ সেৱাসমূহ জনসাধাৰণক 'অনলাইন' যোগে উপলব্ধ কৰোৱা।